# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-07-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১।	কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনৰ আজি দিনৰ ১১ বজাত লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন।

২।	ৰাজ্যৰ বিশেষ ন্যায়াধীশৰ আদালতে অসম লোকসেৱা আয়োগৰ কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰী গোচৰত দোষী সাব্যস্ত হোৱা ৩২ অভিযুক্তৰ আজি পুনৰ শুনানি গ্ৰহণ।

৩।	মন্ত্ৰী অশোক সিংহলৰ অহা নৱেম্বৰ মাহত জাইকা পানী যোগান প্ৰকল্পৰ কাম সম্পূৰ্ণ হ'ব বুলি ঘোষণা।

৪।	শিৱসাগৰৰ প্ৰতিভাৱান ফুটবল খেলুৱৈ ৰেহান আহমেদ অল ইণ্ডিয়া ফুটবল ফেদাৰেচনৰ ফিফা টেলেণ্ট একাডেমীলৈ নিৰ্বাচিত। *আৰু*

৫।	মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত আজি ভাৰত নেপালৰ মুখামুখি।

০০০০০০০

কেন্দ্ৰীয়  বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি দিনৰ ১১ বজাত লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰত তৃতীয়বাৰলৈ চৰকাৰ গঠন হোৱাৰ পাছত এয়া প্ৰথম বাজেট হ'ব। ইপিনে ২০১৯ বৰ্ষত দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হ'ব শ্ৰীসীতাৰমনৰ ক্ৰমাগত সপ্তখন বাজেট। বাজেট প্ৰস্তুত কৰিবলৈ কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে শিক্ষা, স্বাস্থ্য, নিয়োগ, বাণিজ্য, আন্তঃগাঁথনি তথা শক্তিকে ধৰি বিভিন্ন খণ্ডৰ আগশাৰীৰ ব্যক্তি তথা বিশেষজ্ঞ সকলৰ মত গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে। বিশেষজ্ঞ তথা বিভিন্ন খণ্ডৰ প্ৰতিনিধিসকলৰ পৰামৰ্শসমূহ বাজেটৰ বাবে চালি জাৰি চাই গ্ৰহণ কৰা হ'ব বুলি তেওঁ আশ্বাস প্ৰদান কৰে। লোকসভাত বাজেট উত্থাপনৰ পাছত ইয়াৰ প্ৰতিলিপি ৰাজ্যসভাতো দাখিল কৰা হ'ব।

ইয়াৰ পূৰ্বে কালি উভয় সদনত ২০২৩-২৪ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষা দাখিল কৰা হয়। দাখিল কৰা সমীক্ষা অনুসৰি চলিত বিত্তীয় বৰ্ষৰ বাবে মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ ৬ দশমিক ৫ শতাংশৰ পৰা ৭ শতাংশ হোৱাৰ পূৰ্বানুমান কৰা হৈছে। সংসদৰ বাজেট অধিৱেশনৰ কালি প্ৰথম দিনা লোকসভাত অৰ্থনৈতিক সমীক্ষা দাখিল কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এই তথ্য প্ৰকাশ কৰে। সমীক্ষাত প্ৰকাশ পোৱা মতে গোলকীয় অৰ্থনীতিৰ ক্ষেত্ৰখনৰ অনিশ্চয়তা সত্বেও ২০২৩-২৪ বিত্তীয় বৰ্ষত ঘৰুৱা উৎপাদনত অৰ্থনৈতিক বিকাশ সম্ভৱপৰ হৈ উঠিছে। চলিত বিত্তীয় বৰ্ষত সেৱা খণ্ডই মুঠ অৰ্থনৈতিক বিকাশৰ ৫৫ শতাংশৰ অংশীদাৰ হৈ পুনৰবাৰ দেশৰ প্ৰগতিৰ ক্ষেত্ৰত উল্লেখনীয় বৰঙণি আগবঢ়াইছে বুলি কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ইপিনে অৰ্থনৈতিক সমীক্ষা সন্দৰ্ভত চৰকাৰৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা ড০ ভি অনন্ত নাগেশ্বৰণে এখন সংবাদমেলক সম্বোধন কৰি কয় যে, দেশৰ অৰ্থনৈতিক বিকাশে এটা উল্লেখযোগ্য গতি লাভ কৰিছে। অহাটো বিত্তীয় বৰ্ষত কৃষিখণ্ডই উন্নত প্ৰদৰ্শন আগবঢ়োৱাৰ সম্ভাৱনা আছে বুলিও তেওঁ লগতে মন্তব্য কৰে। দেশৰ ক্ৰমবৰ্ধমান কৰ্মশক্তিক  সংস্থাপিত কৰিবলৈ ভাৰতীয় অৰ্থনীতিয়ে ২০৩০ চনলৈকে কৃষিখণ্ডৰ বাহিৰত বছৰি প্ৰায় ৭৯ লাখ নিযুক্তি প্ৰদান কৰাটো প্ৰয়োজন বুলিও ড০ নাগেশ্বৰণে প্ৰকাশ কৰে।

০০০০০০০০

ৰাজ্যৰ বিশেষ ন্যায়াধীশৰ আদালতে অসম লোকসেৱা আয়োগৰ কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰী গোচৰত দোষী সাব্যস্ত হোৱা ৩২ অভিযুক্তৰ আজি পুনৰ শুনানি গ্ৰহণ কৰিব। দোষী সাব্যস্ত হোৱা কৃষি উন্নয়ন বিষয়াসকলৰ শাস্তিৰ ম্যাদৰ সন্দৰ্ভত এই শুনানি গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে কালি বিশেষ ন্যায়াধীশৰ আদালতে এ পি এছ চিৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ পালৰ লগতে প্ৰাক্তন দুই সদস্য চামেদুৰ ৰহমান, বসন্ত কুমাৰ দলে আৰু ২৯ জন কৃষি উন্নয়ন বিষয়া পদত নিযুক্তি লাভ কৰা প্ৰাৰ্থীক ধনৰ বিনিময়ত চাকৰি লোৱা বিচাৰত দোষী সাব্যস্ত কৰিছিল। আদালতে কালি এই ৩২ জন লোকক আদালতৰ পৰাই কাৰাগাৰালৈ প্ৰেৰণ কৰিছিল।

আনহাতে উপযুক্ত তথ্য প্ৰমাণৰ অভাৱত আন ১১ জন অভিযুক্তক আদালতে দোষমুক্ত হিচাপে ঘোষণা কৰিছে। উল্লেখযোগ্য যে ৰাকেশ কুমাৰ পাল অধ্যক্ষ হৈ থকা সময়ত ২০১৫ চনত এই কৃষি উন্নয়ন বিষয়াসকলক নিযুক্তি প্ৰদান কৰা হৈছিল। সেই সময়ত নিযুক্তিৰ নামত ব্যাপক ধনৰ লেনদেন হোৱাৰ অভিযোগ তুলি এগৰাকী প্ৰাৰ্থীয়ে ২০১৭ চনত ভঙাগড় থানাত এজাহাৰ দাখিল কৰিছিল। এই সন্দৰ্ভত ৰুজু হোৱা গোচৰৰ ভিত্তিত ৰাকেশ কুমাৰ পাল সহ কেইবাজনো অভিযুক্তক ভঙাগড় আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ইয়াৰ পাছত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে বিশেষ ন্যায়াধীশৰ আদালতে গোচৰটোৰ দৈনিক শুনানি গ্ৰহণ কৰে। প্ৰায় ৬বছৰ ধৰি চলা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত কালি আদালতে ৩২ অভিযুক্তক দোষী সাব্যস্ত কৰে।

০০০০০০০০

দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহৰ বাবে মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া চলিত বৰ্ষৰ ১৫ ছেপ্তেম্বৰ পৰ্যন্ত মুকলি থাকিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এই সন্দৰ্ভত প্ৰকাশ কৰা মতে পদ্ম বঁটাৰ বাবে মনোনয়ন আৰু পৰামৰ্শসমূহ ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলত অনলাইন ব্যৱস্থাৰ জৰিয়তে গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী হিচাপে অভিহিত এই পদ্ম বঁটাসমূহ হ'ল - দেশৰ সৰ্বোচ্চ পৰ্যায়ৰ অসামৰিক সন্মান। ১৯৯৫ চনত প্ৰৱৰ্তন কৰা এই বঁটাসমূহ প্ৰতি বছৰে গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি ঘোষণা কৰা হয়। কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, ভেষজ, সামাজিক কৰ্ম, বাণিজ্য আৰু উদ্যোগ তথা বিজ্ঞান আৰু অভিযান্ত্ৰিক ক্ষেত্ৰলৈ আগবঢ়োৱা বিশিষ্ট তথা ব্যতিক্ৰমী সেৱাৰ প্ৰতি স্বীকৃতি প্ৰদানৰ উদ্দেশ্যে এই বঁটাসমূহ আগবঢ়োৱা হয়। উল্লেখযোগ্য যে চিকিৎসক আৰু বিজ্ঞানীসকলৰ বাহিৰে ৰাজহুৱা খণ্ডৰ অন্তৰ্গত প্ৰতিষ্ঠানত কৰ্মৰত লোকসকলকে ধৰি চৰকাৰী চাকৰিয়ালসকল এই বঁটাৰ বাবে মনোনীত নহয়।

০০০০০০০০০

মন্ত্ৰী অশোক সিংহলে অহা নৱেম্বৰ মাহত জাইকা পানী যোগান প্ৰকল্পৰ কাম সম্পূৰ্ণ হ'ব বুলি ঘোষণা কৰিছে। এই পানী যোগান প্ৰকল্পৰ কাম সম্পূৰ্ণ হোৱাৰ লগে লগে গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত দেখা দিয়া পানীৰ সংকট হ্ৰাস পাব বুলি আশা কৰা হৈছে। জাইকা পানী যোগান প্ৰকল্পৰ কাম সম্পূৰ্ণ হোৱাৰ পূৰ্বে অহা ছেপ্তেম্বৰ মাহৰ ভিতৰত গুৱাহাটীৰ ১৫ হেজাৰ পৰিয়ালক নলযোগে পানী যোগান ধৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে সোণাইঘুলি আৰু নৰকাসুৰত থকা পানীৰ প্ৰকল্পৰ জৰিয়তে আগন্তুক সময়ছোৱাত গুৱাহাটীৰ ৰূপনগৰ, শ্ৰীমন্তপুৰ, জি এছ ৰোড, জটিয়া, লাষ্টগেট, হাতীগাঁও, সৰুসজাই আদি অঞ্চলৰ ৩৫ হেজাৰ ১৭টা পৰিয়ালক পানীযোগান ধৰিব পৰা যাব।

ইফালে কেন্দ্ৰীয় জলশক্তি মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী ভি সুমন্নাই কেন্দ্ৰীয় চৰকাৰে বিগত পাঁচটা বছৰত জলজীৱন অভিযান 'হৰ ঘৰ জল'ৰ অধীনত দেশত প্ৰায় ১১ কোটি ৭৫লাখ গ্ৰামীণ পৰিয়ালক নলযোগে খোৱাপানীৰ সংযোগ প্ৰদান কৰাৰ কথা ঘোষণা কৰিছে। ৰাজ্যসভাত এটা লিখিত উত্তৰত কালি মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ২০১৯ চনত এই অভিযান আৰম্ভ কৰাৰ সময়ত দেশৰ ৩ কোটি ২৩ লাখ গ্ৰামীণ পৰিয়ালতহে নলযোগে খোৱাপানীৰ সংযোগ প্ৰদান কৰা

হৈছিল। সম্প্ৰতি দেশৰ ৭৭ শতাংশ গ্ৰামীণ পৰিয়ালতে নলযোগে খোৱাপানীৰ সংযোগ দিয়া হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০০

উচ্চতম ন্যায়ালয়ে চলিত বৰ্ষৰ নীট স্নাতক পৰীক্ষাৰ পদাৰ্থ বিজ্ঞানৰ এটা প্ৰশ্নত দিয়া দুটা বিকল্প উত্তৰক ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই শুদ্ধ বুলি গন্য কৰা সিদ্ধান্ত সন্দৰ্ভত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান দিল্লীক এখন বিশেষজ্ঞ সমিতি গঠন কৰি মতামত আগবঢ়াবলৈ নিৰ্দেশ দিছে। উচ্চতম ন্যায়ালয়ে আজি দিনৰ ১২ বজাৰ ভিতৰত সমিতিখনক নিজৰ মতামত আগবঢ়াবলৈ নিৰ্দেশ দিছে। এই সন্দৰ্ভত আজি পুনৰ শুনানি গ্ৰহণ কৰা হ'ব।

০০০০০০০

সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনৰ বিশেষভাৱে সক্ষম লোকসকলৰ সৱলীকৰণ বিভাগে কালি নতুন দিল্লীত ব্যক্তিগত প্ৰতিষ্ঠান আৰু ষ্টাৰ্টআপসমূহৰ সৈতে ৭২ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। বিশেষভাৱে সক্ষম লোকসকলক সামাজিক, শৈক্ষিক আৰু অৰ্থনৈতিকভাৱে সৱল কৰি তোলাই এই বুজাবুজিৰ চুক্তিসমূহৰ প্ৰধান লক্ষ্য। সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ কেন্দ্ৰীয় মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰ আৰু ৰাজ্য মন্ত্ৰী বি এল বাৰ্মাৰ উপস্থিতিত এই বুজাবুজিৰ চুক্তিকেইখনত স্বাক্ষৰ কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি ড০ কুমাৰে কয় যে, বিভাগে দিব্যাংগ লোকসকলৰ  সামাজিক, অৰ্থনৈতিক আৰু শৈক্ষিক সৱলীকৰণৰ দিশত ধাৰাবাহিকভাৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। দেশৰ ভালেকেইটা প্ৰতিষ্ঠানে এনে লোকসকলৰ জীৱন সহজসাধ্য কৰি তুলিবলৈ কম খৰচত উপযোগী যন্ত্ৰ নিৰ্মাণ কৰি আহিছে বুলিও তেওঁ উল্লেখ কৰে। কালি স্বাক্ষৰিত বুজাবুজিৰ চুক্তিসমূহে দিব্যাংগ লোকসকলৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতা প্ৰতিফলিত কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

বিশিষ্ট সংগীত পৰিচালক ৰমেন বৰুৱা কালি পুৱাৰে পৰা সন্ধানহীন হৈ আছে। লতাশিলৰ ঘৰৰ পৰা ওচৰৰে গণেশ মন্দিৰলৈ বুলি দিনৰ প্ৰায় ১০ বজাত বৰ্ষিয়ান শিল্পীগৰাকী ওলাই গৈছিল। দুপৰীয়া পৰ্যন্ত উভতি নহাত পৰিয়ালৰ লোকে বিচাৰ-খোচাৰ কৰে যদিও কোনো সন্ধান উলিয়াব পৰা নাই। ইফালে শিল্পীগৰাকীৰ ম'বাইল ফোনটো ছুইটছ্ অফ হৈ থকা বুলি জানিব পৰা গৈছে। উদ্বিগ্ন পৰিয়ালে এই সন্দৰ্ভত লতাশিল থানাত এখন এজাহাৰ দাখিল কৰিছে। ইফালে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাক ৰমেন বৰুৱাৰ সন্ধানৰ ক্ষেত্ৰত কোনো ত্ৰুটি নাৰাখিবলৈ নিৰ্দেশ দিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে আৰক্ষীক এই নিৰ্দেশ প্ৰদান কৰে।

০০০০০০০০

শ্বিলঙৰ নিযুক্তি কাৰ্যালয়ে আজিৰে পৰা অহা ২৭ জুলাইলৈ অসমৰ কেইবাখনো জিলাৰ নিৰ্বাচিত প্ৰাৰ্থীৰ বাবে শোণিতপুৰৰ মিছামাৰী সামৰিক ঘাটিত অগ্নিবীৰ নিযুক্তি সমাৰেশৰ আয়োজন কৰিছে।  যোৱা এপ্ৰিল-মে' মাহত দেশজুৰি অনুষ্ঠিত প্ৰৱেশ পৰীক্ষাত  শোণিতপুৰ, বিশ্বনাথ, নগাঁও আৰু মৰিগাঁও জিলাৰ উত্তীৰ্ণ প্ৰাৰ্থীয়ে এই নিযুক্তি সমাৰেশত অংশগ্ৰহণ কৰিব পাৰিব। নিযুক্তি সমাৰেশৰ সময়ত প্ৰায় এহেজাৰ ১০০ গৰাকী নিৰ্বাচিত অগ্নিবীৰ প্ৰাৰ্থীয়ে কঠিন বাচনি পৰীক্ষাৰ মাজেৰে পাৰ হ'ব লাগিব। প্ৰাৰ্থীসকলে শাৰীৰিক সক্ষমতা আৰু স্বাস্থ্য পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। স্বাস্থ্য পৰীক্ষাত অনুতীৰ্ণ প্ৰাৰ্থীসকলক পৰ্যালোচনৰ বাবে তেজপুৰৰ সামৰিক চিকিৎসা লয়লৈ প্ৰেৰণ কৰা হ'ব। এই নিযুক্তি পৰীক্ষাত প্ৰাৰ্থীসকলক কোনো দালালৰ বশৱৰ্তী নহ'বলৈ সতৰ্ক কৰি দিয়া হৈছে। লগতে তেওঁলোকৰ প্ৰাসংগিক মূল নথি-পত্ৰৰ সৈতে কিউ আৰ কোডত উল্লেখ কৰা অনুসৰি নিযুক্তি মুখ্য কাৰ্যালয়, নিযুক্তি কাৰ্যালয়  শ্বিলং, তেজপুৰ আৰু মিছামাৰী চহৰৰ বিশিষ্ট স্থানসমূহত নিযুক্তি সম্পৰ্কীয় নিৰ্দেশনাসহ প্ৰচাৰ পত্ৰিকা প্ৰদৰ্শন কৰা হৈছে। অসামৰিক প্ৰশাসনে এই সমাৰেশলৈ অহা প্ৰাৰ্থীসকলৰ বাবে খোৱাপানী, ৰে'ল ষ্টেচনৰ পৰা অহা-যোৱা কৰা বাছৰ ব্যৱস্থাকে ধৰি প্ৰয়োজনীয় সকলো ব্যৱস্থা সুনিশ্চিত কৰিছে। সেনা আৰু আৰক্ষীয়ে নিৰাপত্তা

আৰু সমাৱেশ নিয়ন্ত্ৰণৰ বাবে অতিৰিক্ত ব্যৱস্থা গ্ৰহণ কৰিছে। অগ্নিবীৰ সেনাত নিযুক্তিৰ বাবে প্ৰাৰ্থীসকলৰ যোগ্যতা, মানসিক স্থিতি আৰু শাৰীৰিক শক্তি পৰীক্ষা কৰিবলৈ কৌশল প্ৰস্তুত কৰা হৈছে। উত্তীৰ্ণ প্ৰাৰ্থীসকলক অগ্নিবীৰ জেনেৰেল ডিউটি, ট্ৰেডছমেন আৰু কাৰিকৰী বিভিন্ন পদৰ অধীনত ভাৰতীয় সেনাত অন্তৰ্ভুক্ত কৰা হ'ব।

oooooooo

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

oooooooo

শিৱসাগৰৰ প্ৰতিভাৱান ফুটবল খেলুৱৈ ৰেহান আহেমদ অল ইণ্ডিয়া ফুটবল ফেডাৰেচনৰ ফিফা টেলেণ্ট একাডেমীলৈ নিৰ্বাচিত হৈছে। ভুবনেশ্বৰত থকা এই একাডেমীলৈ নিৰ্বাচিত হোৱা ৰেহান অসমৰ একমাত্ৰ ফুটবল খেলুৱৈ। ৰেহানে এই একাডেমীত তিনি বছৰৰ বাবে ফুটবলৰ উচ্চ প্ৰশিক্ষণ লাভ কৰাৰ সুযোগ পাব। উল্লেখযোগ্য যে, ভিছন ২০৪৭ৰ অধীনত দেশৰ ফুটবল দলক নতুন ৰূপত গঢ়ি তোলাৰ বাবে অল ইণ্ডিয়া ফুটবল ফেডাৰেচনে এটি ৰোডমেপ তৈয়াৰ কৰিছে। এই ৰোডমেপৰ অধীনতে ৰেহানৰ দৰে প্ৰতিভাবান খেলুৱৈৰ সন্ধান কৰি ভাৰতীয় ফুটবলক সমৃদ্ধ কৰাৰ অভিযান আৰম্ভ কৰিছে। ১৪ বছৰ অনুৰ্দ্ধৰ অসম দলৰ ফৰোৱাৰ্ড পজিছনৰ খেলুৱৈ ৰেহান আহমেদে ২০১২ চনৰ পৰা শিৱসাগৰ শিশু ফুটবল প্ৰশিক্ষণ কেন্দ্ৰত প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। ৰেহানৰ এই বিশেষ সফলতাত শিৱসাগৰবাসী উৎফুল্লিত হৈছে।

oooooooo

ভাৰত আজি মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত হ'বলগীয়া গ্ৰুপ-এৰ এখন খেলত নেপালৰ মুখামুখি হ'ব। খেলখন শ্ৰীলংকাৰ ডাম্বুলাত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। গ্ৰুপ-এত ভাৰতে আটাইকেইখন খেলতেই জয়ী হৈ বৰ্তমান পইণ্ট তালিকাৰ শীৰ্ষত আছে। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় মহিলা দলটোৱে পূৰ্বৰ খেল দুখনত পাকিস্তান আৰু সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ বিৰুদ্ধে জয়লাভ কৰিছিল। নেপালে প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰক পৰাস্ত কৰাৰ বিপৰীতে পৰৱৰ্তী খেলখনত পাকিস্তানৰ হাতত পৰাজিত হয়। গ্ৰুপ-এৰ আন এখন খেলত আজি পাকিস্তান সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ মুখামুখি হ'ব। খেলখন দিনৰ ২ বজাত আৰম্ভ হ'ব।

ooooooo

## *News Paper Review*

সদনত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনৰ ২০২৩-২৪ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষা দাখিল, এ পি এছ চিৰ কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলংকাৰীৰ চুড়ান্ত ৰায়দান, যশস্বি সংগীত পৰিচালক ৰমেন বৰুৱা সন্ধানহীন, কেন্দ্ৰীয় বাজেট দাখিল আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰধান বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা দেখা গৈছে।

প্ৰায় ৬ বছৰীয়া বিচাৰ প্ৰক্ৰিয়াৰ অন্তত ৰাজ্যৰ বিশেষ ন্যায়াধীশৰ আদালতে এ পি এছ চি কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলংকাৰীৰ গোচৰৰ ৰায় দান কৰিছে। এই কেলেংকাৰীত এ পি এছ চিৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ পালসহ ৩২জন অভিযুক্তক দোষী সাব্যস্ত কৰা হয়। এই বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। দৈনিক অসম কাকতৰ বাতৰিটোৰ শিৰোনাম **এ পি এছ চি দুনীতি গোচৰৰ প্ৰথমটো ৰায়, ৰাকেশ পালসহ ৩২জন দোষী সাব্যস্ত**। দৈনিক জনমভূমি কাকতৰ বাতৰিটোৰ শিৰোনাম **পুনৰ কাৰাৰুদ্ধ ৰাকেশ পাল, বসন্ত দলে, চামেদুৰ ৰহমান ঃ ২৯ কৃষি বিষয়া একে দিনাই জেললৈ।** অসমীয়া খবৰ আৰু দৈনিক অগ্ৰদূত কাকতেও এই বাতৰিটোক প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে। আমাৰ অসম কাকতে এই বাতৰিটোৰ সমান্তৰালকৈ আদালতৰ ৰায়দানক লৈ প্ৰস্তুত কৰা আন এটা বাতৰি **পৰীক্ষাৰ নামত নিৰ্লজ্জ বহুৱালি, ক্ষুব্ধ-হতভম্ব আদালতঃ মেখেলা চাদৰ, ম'বাইল ফোন, ঘড়ী উপহাৰ দিও পালে চাকৰি** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰী মোদীক সাক্ষাৎ কৰি ৰাজ্যৰ বান পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰাৰ এটা বাতৰি ফটোসহ প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছ। বাতৰিটোৰ শিৰোনাম **মোডীক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ, উন্নয়নমূলক কাম-কাজক লৈ আলোচনা ঃ ৰাজ্যৰ বান পৰিস্থিতিৰ বিষয়ে অৱগত কৰিলে প্ৰধানমন্ত্ৰীক।** এই বাতৰিটো দ্য ছেণ্টিনেল কাকতেও প্ৰথম পৃষ্ঠাত ফটোসহ গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। দি আছাম ট্ৰিবিউন কাকতে বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে সদনত দাখিল কৰা অৰ্থনৈতিক সমীক্ষাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তা কাকতে এ পি এছ চি কেলেংকাৰীৰ ৰায়দানৰ বাতৰিটোৰ সমান্তৰালকৈ সদনত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে দাখিল কৰা অৰ্থনৈতিক সমীক্ষাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰধান বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিৰ চমু অৱলোকন।

০০০০০০০০

**সমাপ্ত**